# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 06-01-2026

**Time :** 21-25 Hrs.

***Assamese Night Bulletin***

::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পৰীক্ষা পে চৰ্চা অনুষ্ঠানৰ নৱম সংস্কৰণত দেশৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীৰ সৈতে মত বিনিময় কৰে। এইবাৰৰ সংস্কৰণত প্ৰধানমন্ত্ৰীয়ে পৰীক্ষাৰ সময়ত কিদৰে মানসিক চাপৰ পৰা মুক্ত হৈ থাকিব পাৰি সেই সন্দৰ্ভত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজস্ব শিকন পদ্ধতিৰ ওপৰত আস্থা ৰাখিবলৈ পৰামৰ্শ দি কয়, যে কোনো দুজন ব্যক্তিৰ চিন্তা-ধাৰা কেতিয়াও একে হ'ব নোৱাৰে। তেওঁ কয়, যে প্ৰতিগৰাকী শিক্ষাৰ্থীৰে পঢ়াৰ এটা নিৰ্দিষ্ট শৈলী থাকে আৰু তেওঁলোকে পৰীক্ষাৰ বাবে নিজৰ প্ৰস্তুতিৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিব লাগে। শিক্ষাৰ্থীসকলে লগতে শিক্ষক আৰু অভিভাৱকসকলে দিয়া পৰামৰ্শসমূহ ভালদৰে অনুধাৱন কৰিব লাগে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে শিক্ষাৰ্থীসকলে অন্ধভাৱে আনক অনুকৰণ কৰাৰ পৰিৱৰ্তে নিজৰ অভিজ্ঞতা আৰু জ্ঞানেৰে যিকোনো পৰামৰ্শ গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে শিক্ষকসকলক প্ৰতিগৰাকী শিক্ষাৰ্থীৰ শিকন ক্ষমতা সন্দৰ্ভত সংবেদনশীল হ'বলৈ পৰামৰ্শ আগবঢ়ায়।

পৰীক্ষা পে চৰ্চা অনুষ্ঠানত অংশ লোৱা শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰী মোদীয়ে অসমৰ স্বাভীমান গামোচাৰে আদৰণি জনায়। লগতে অনুষ্ঠানত অসমৰ গামোচাখন প্ৰধানমন্ত্ৰীৰ প্ৰিয় বুলি উল্লেখ কৰে। অসম আৰু উত্তৰ-পূৰৰ মহিলাসকলক নাৰী সৱলীকৰণৰ  ক্ষেত্ৰত বিশেষ উদাহৰণ দি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰসংশা কৰে।

বাইট ঃ পি এম

০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ন্যায়িক আয়োগত আজি জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সাক্ষ্য প্ৰদান কৰে। আয়োগৰ আগত সাক্ষ্য প্ৰদান কৰি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গৰিমা শইকীয়া গাৰ্গে কয় যে, বিশেষ তদন্তকাৰী গোটৰ আগত উল্লেখ কৰা কথাখিনি  ন্যায়িক আয়োগৰ আগতো উল্লেখ কৰা হয়। জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত য়টত উপস্থিত থকা প্ৰৱাসী অসমীয়া লোকসকলৰ প্ৰতি অভিযোগ উত্থাপন কৰি তেঁও কয় যে প্ৰৱাসী অসমীয়াসকলে সকলো কথা স্পষ্টকৈ কোৱা হ'লে বিষয়টো ইমান জটিল হৈ নপৰিহেতেন। জুবিন গাৰ্গৰ মৃত্যুৰ সৈতে জড়িত প্ৰতিজন লোকে কঠোৰ শাস্তি পাব লাগিব বুলিও তেওঁ সাংবাদিকৰ আগত মন্তব্য কৰে। ০০০০০

০০০০

অহা ৯ ফেব্ৰুৱাৰীত চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰপত্ৰ বিতৰণ কৰা হ'ব। সেই দিনাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ কৰিব। ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰপত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ০০০

০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লাখ লাখ ভকত-বৈষ্ণৱৰ সমাগমেৰে অঞ্চলটো মুখৰ হৈ পৰিছে। অধিৱেশনস্থলীত মথুৰা পাগৰ আৰ্হিত নিৰ্মাণ কৰা মূল তোৰণ, বাৰে চহৰীয়া ভাওনাৰ মণ্ডপ, চক্ৰবেহু আৰু স্বদেশী মেলাই দৰ্শনাৰ্থীৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। অধিৱেশনত ছখন অংকীয়া ভাওনাৰো প্ৰদৰ্শন  কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অধিৱেশনত অংশগ্ৰহণ কৰাৰ কথা।  ০০০০

০০০০

শিৱসাগৰত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ সাহিত্য উৎসৱত আজি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ উদ্যোগত ৰেডিঅ' সাহিত্য শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হয়। ডিব্ৰুগড়ৰ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ অনুষ্ঠান বিভাগৰ মুৰব্বী লোহিত ডেকাৰ পৌৰহিত্যত অনুষ্ঠিত আলোচনাচক্ৰত অংশগ্ৰহণ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক সত্যকাম বৰঠাকুৰে কয়, যে ৰেডিঅ'ৰ বাবে লিখা লেখনিসমূহ আনতকৈ সদায় পৃথক হ'ব লাগে। সেয়ে এই লেখাসমূহক ৰেডিঅ' সাহিত্য হিচাপে বিবেচনা কৰা উচিত। বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ কৰবী ডেকা হাজৰিকাই অসমীয়া আধুনিক গীতক ৰেডিঅ'ই এক বিশেষ মাত্ৰা প্ৰদান কৰা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰে। ০০০০

০০০০

জিম্বাবুৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰতে-ইংলেণ্ডক ১০০ ৰানৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ৪১১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ বৈভৱ সূৰ্যবংশীয়ে ৮০ টা বলত ১৭৫  ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইংলেণ্ডে নিজৰ ইনিংছ আৰম্ভ কৰি ৪০ অভাৰত ২ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩১১ ৰানহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়।

০০০০০

সমাপ্ত